## শৈক্ষিক নিৰ্দেশনা আৰু বৃত্তীয় নিৰ্দেশনাৰ সম্পৰ্ক (Relationship between Educational Guidance and Vocational Guidance) :

শৈক্ষিক নিৰ্দেশনা দান কাৰ্যৰ দ্বাৰাহে বৃত্তীয় নিৰ্দেশনাদান কাৰ্যৰ আৰম্ভণি হয়। কাৰণ শৈক্ষিক অৱস্থাৰ বিভিন্ন স্তৰ অনুসৰিয়ে বৃত্তীয় নিৰ্দেশনাদান কাৰ্য আৰম্ভ কৰা হয়। মুঠতে এটা আনটোৰ এৰাব নোৱাৰা দিশ। তলত এই সম্পৰ্ক সমূহ আলোচনা কৰা হ'ল —

- সকলো নিৰ্দেশনাদান কাৰ্যৰে সৰ্বশেষ উদ্দেশ্য হৈছে সুখী-সমৃদ্ধিশালী জীৱন যাপন কৰা কাৰ্য। শাৰিৰীক আৰু মানসিক উভয় দিশতে

Scanned with CamScanner

পূৰ্ণতাপ্ৰাপ্ত ব্যক্তি এজনে সমাজত সুস্থ তথা সুন্দৰ জীৱন-যাপনৰ মাজেৰে সমাযোজন কৰিব পাৰে আৰু সমাজৰ উপকাৰ সাধিবও পাৰে। শৈক্ষিক আৰু বৃত্তীয় নিৰ্দেশনাই ব্যক্তিক বিভিন্ন দৃষ্টিকোণৰ পৰা সহায় কৰি জীৱনৰ পূৰ্ণতা প্ৰাপ্তিত অৰিহণা যোগায়।

- বৃত্তীয় নিৰ্দেশনাদান কাৰ্য হৈছে ব্যক্তিক লালন-পালন কৰা কাৰ্য আৰু শৈক্ষিক নিৰ্দেশনাই শৈক্ষিক পৰিকল্পনাসমূহৰ যথোপযুক্ত প্ৰয়োগৰ দ্বাৰা ব্যক্তিক উপযুক্ত যোগ্যতা প্ৰাপ্ত কৰি কোনো এটা নিৰ্দিষ্ট কামৰ বাবে উপযুক্ত কৰি তোলে।
- শৈক্ষিক নিৰ্দেশনা দান কাৰ্য হৈছে বৃত্তীয় নিৰ্দেশনাদান কাৰ্যৰ আগৰ সময়ছোৱা, যিখিনি সময়ৰ উপযুক্ত সদ্ব্যৱহাৰৰ দ্বাৰাহে ব্যক্তিয়ে কোনো এটা বৃত্তিত নিজক উপযুক্তভাৱে সমাযোজন কৰাব পাৰে। ইয়াৰ অন্যথাই শৈক্ষিক নিৰ্দেশনাদান কাৰ্যৰ মূল্য নাথাকে।
- সকলোবিলাক নিৰ্দেশনাৰে নিৰ্দিষ্ট স্থান-কাল আছে। বৃত্তিমূলক দিশলৈ স্থান-কাল-সময় নোহোৱা পৰ্যন্ত তৎপৰতাৰে গতি কৰা উচিত নহয়। অৰ্থাৎ শৈক্ষিক নিৰ্দেশনা বৃত্তিমূলক নিৰ্দেশনাৰ আগৰ অৱস্থাটো বুলি বিবেচিত হয়।
- শৈক্ষিক নিৰ্দেশনা আৰু বৃত্তীয় নিৰ্দেশনা উভয় দিশে ছাত্ৰ-ছাত্ৰীসকলক সফল জীৱনৰ ৰাস্তা ভৱিষ্যতলৈ ৰচনা কৰি দিয়ে। যি ৰাস্তাৰে ছাত্ৰ-ছাত্ৰীসকলে নিৰ্ভুলভাৱে আৰু নিৰ্ভয়ে আগুৱাই যাবলৈ সক্ষম হয়।
- এই উভয় নিৰ্দেশনাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী, মাক-বাপেক, পৰিয়াল, শিক্ষাবিদ আৰু সমাজ সকলো বিলাকে উপকৃত হয়। উভয় নিৰ্দেশনাৰ কোনো এটাৰ অভাৱ বা অব্যৱহাৰৰ ফলত সমাজত বিভিন্ন ধৰণৰ সমস্যাই দেখা দিব পাৰে। যেনে — যুৱ বিশৃংখলতা, নিবনুৱা সমস্যা, চোৰ-ডকাইত আদি অপসংস্কৃতিমূলক কামৰ উদ্ভৱ হোৱাৰ সম্ভাৱনা থাকে।

এনেদৰে ওপৰত উল্লেখ কৰা ধৰণে শৈক্ষিক নিৰ্দেশনা আৰু বৃত্তীয় নিৰ্দেশনাৰ সম্পৰ্ক নিৰ্ণয় কৰা দেখা যায়। আনহাতে এটা দিশৰ কোনো প্ৰকাৰৰ দুৰ্বলতাই আন এটা দিশৰ সমস্যাৰ কাৰক হিচাপে দেখা দিয়ে।

Scanned with CamScanner